**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। দেশক বিশ্বৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কাম কৰি থকা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।
২। কাছাৰ কাগজ কলৰ চৌহদত দুহেজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উদ্যোগ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ লাভ কৰিছে বুলি উদ্যোগ মন্ত্ৰী বিমল বৰাৰ মন্তব্য।
৩। ৰাজ্যৰ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰাৰ লক্ষ্যৰে আৰক্ষী সঞ্চালক প্ৰধানৰ উপস্থিতিত মুখ্য সচিবৰ পৰ্যালোচনা বৈঠক।
৪। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ খিতাপ অৰ্জন। *আৰু*
৫। পেৰিছ পেৰালিম্পিকৰ আজি চতুৰ্থ দিনা কেইবাটাও শিতানত পদক জয়ৰ বাবে ভাৰতৰ যুঁজ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষক বিশ্বৰ সবাতোকৈ বৃহৎ সুযোগৰ দেশ বুলি অভিহিত কৰিছে। তেওঁ লগতে দেশত ব্যৱসায়ৰ  সা-সুবিধা, সংস্কাৰ, সুস্থিৰ নীতিগত ব্যৱস্থা আৰু উচ্চ বিকাশৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীয়ে কালি ই টি- বিশ্ব নেতা মঞ্চত ভাষণ দি এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে বিনিয়োগকাৰীসকলক উদ্ভাৱণ, প্ৰদৰ্শন, ইতিবাচক উদ্যম আৰু উচ্চমানৰ সামগ্ৰীৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে অধিক দৃঢ় অভিপ্ৰায়, পূৰ্ণ আস্থা আৰু আশাৰে তৃতীয় কাৰ্যকাল আৰম্ভ কৰিছে। তেওঁ লগতে কয় যে, এই বছৰ নিৰ্বাচন অনুষ্ঠিত অধিকাংশ দেশৰ জনসাধাৰণে পৰিৱৰ্তনৰ হকে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ বিপৰীতে ভাৰতৰ জনসাধাৰণে ধাৰাবাহিকতা, ৰাজনৈতিক সুস্থিৰতা আৰু অৰ্থনৈতিক বিকাশৰ হকে ভোটদান কৰিছে। নব্য মধ্যবিত্ত শ্ৰেণীয়ে দেশৰ প্ৰগতিৰ ধাৰা আগুৱাই লৈ গৈছে আৰু বজাৰৰ দিশ নিৰ্ধাৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, ভাৰতে সফলতাৰ অনন্য গাঁথা লিখি আছে আৰু অৰ্থব্যৱস্থাৰ প্ৰদৰ্শনত সংস্কাৰৰ প্ৰভাৱ স্পষ্টভাৱে পৰিলক্ষিত হৈছে। সেউজ হাইড্ৰজেন, অৰ্ধপৰিবাহী, সমুদ্ৰতলী আৰু মহাকাশৰ দৰে ক্ষেত্ৰসমূহৰ বাবে বৰ্তমান চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উদ্যমত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁৰ চৰকাৰে ভাৰতলৈ বাট চাই থকা বিভিন্ন সুযোগ আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ বাবে দেশক সাজু কৰি তুলিব খোজে। শ্ৰীমোদীয় কয় যে, কেন্দ্ৰীয় চৰকাৰে দেশক বিশ্বৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। এই প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে বিগত ১০ বছৰত চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ ১ লাখৰো অধিক আসনৰ সংযোজন ঘটাইছে আৰু পৰৱৰ্তী ৫ বছৰত ৭৫ হাজাৰৰো অধিক আসন বৃদ্ধি কৰা হ'ব। ভাৰতৰ পৰ্যটন খণ্ডত প্ৰসাৰ আৰু দেশক গোলকীয় খাদ্য কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টাৰ ওপৰতো আলোকপাত কৰি  খাদ্যৰ প্ৰতিখন মেজত  ভাৰতত নিৰ্মিত সামগ্ৰী উপলব্ধ কৰাটো সুনিশ্চিত কৰাটো

তেওঁৰ সংকল্প বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ২৫ কোটিৰো অধিক জনসাধাৰণ দৰিদ্ৰতাৰ গ্ৰাসৰ পাৰ মুক্ত হৈছে আৰু ইয়াৰ ফলত এটা নব্য মধ্যবিত্ত শ্ৰেণীৰ উত্থান ঘটিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী ব্ৰুনেইৰ ছুলতান হাজী হছনল বোলকিয়াৰ আমন্ত্ৰম মৰ্মে ৩ ছেপ্তেম্বৰত ব্ৰুনেৰ ডাৰুচ্ছালামত উপস্থিত হ'ব। এয়া ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ নিমন্ত্ৰণ মৰ্মে বুধবাৰে ছিংগাপুৰত উপস্থিত হ'ব।

oooooo

কাছাৰ কাগজকলৰ চৌহদত ২ হাজাৰ ৪০০ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উদ্যোগ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ লাভ কৰিছে। অসম ঔদ্যোগিক উন্নয়ন নিগম চমুকৈ এ আই ডি চিয়ে ইতিমধ্যে বন্ধ হৈ যোৱা কাগজকলটোৰ ২ হাজাৰ ৯১৬ বিঘা মাটি অধিগ্ৰহণ কৰি নিজৰ দখললৈ নিছে। সদ্যহতে এ আই ডি চিয়ে এই বৃহৎ ভূমিত ঔদ্যোগিক পাম স্থাপন কৰি বিভিন্ন প্ৰতিষ্ঠানক উদ্যোগ স্থাপন বাবে আৱণ্টন দিয়াৰ কাম আৰম্ভ কৰিছে। উদ্যোগ মন্ত্ৰী বিমল বৰাই বিধানসভাত এই তথ্য প্ৰকাশ কৰিছে। তেওঁ জনোৱা মতে ঔদ্যোগিক পামৰ ১৩৬ বিঘা মাটিত ৰেইলফেড প্ৰডাক্টছ টাৰ্মিনেল স্থাপনৰ বাবে নুমলীগড় ৰিফাইনেৰী লিমিটেডক আৱণ্টন দিয়া হৈছে। ২০৫ কোটি টকা ব্যয় সাপেক্ষে স্থাপন হ'বলগীয়া এই প্ৰকল্পটো কাৰ্যক্ষম হ'লে বৃহৎ পৰিমাণৰ পেট্ৰ'লিয়াম সামগ্ৰী মজুত কৰিব পৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে এই প্ৰকল্প সম্পূৰ্ণ হ'লে প্ৰায় ৩০০ লোকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগৰ সুবিধা লাভ কৰিব। আনহাতে আন এটা প্ৰতিষ্ঠানে ২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহৰ পৰা মিথানল প্ৰস্তুত কৰা উদ্যোগ স্থাপন কৰিবলৈ ৩০০ বিঘা মাটি আৱণ্টনৰ বাবে আবেদন দাখিল কৰিছে। কাগজকলৰ ২১২ বিঘা মাটিত চৰকাৰে এখন মাল্টি ম'ডেল ল'জিষ্টিক পাৰ্ক স্থাপনৰো পৰিকল্পনা লৈছে। এই প্ৰকল্পটি ৰে'লপথ, স্থলপথ আৰু আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰে সংযোজিত হ'ব।

oooooo

ৰাজ্যৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলৰ নিৰাপত্তা তথা সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে কালি দিছপুৰত ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ উপস্থিতিত মুখ্য সচিবে এখন বিশেষ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মুখ্য সচিব ৰবি কোটা, আৰক্ষী সঞ্চালকপ্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিং, বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙৰ লগতে আন কেইবাগৰাকীও শীৰ্ষ আৰক্ষী আৰু প্ৰশাসনীয় বিষয়াই এই বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ শেষত প্ৰতিখন জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকললৈ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা তথা সুৰক্ষাৰ বাবে গ্ৰহণ কৰিবলগীয়া সকলো ব্যৱস্থা তাৎক্ষণিকভাৱে গ্ৰহণ কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হয়। এই বৈঠকত ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আৰক্ষী অধীক্ষক আৰু জিলা আয়ুক্তসকলে অংশগ্ৰহণ কৰি চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয়সমূহৰ নিৰাপত্তাৰ ব্যৱস্থা সন্দৰ্ভত মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানক অৱগত কৰে। উল্লেখযোগ্য যে কলকাতাৰ এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ পিছতে সৰ্বোচ্চ ন্যায়ালয়ে

চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছিল।

০০০০০০

চৰকাৰে দেশত বহনক্ষম বৈদ্যুতিন যন্ত্ৰাংশ নিৰ্মাণৰ প্ৰসাৰৰ বাবে এখন নতুন আঁচনি আৰম্ভ কৰিব। নতুন দিল্লীত কালি ই টি-বিশ্ব নেতা মঞ্চত ভাষণ দি তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, দেশত ব্যৱহৃত ৯৯ শতাংশৰো অধিক মোবাইল দেশতে নিৰ্মিত। চলিত বৰ্ষত এপ'ল নামৰ কোম্পানীটোৱে ভাৰতত মোবাইল ফোন নিৰ্মাণ কৰিব। ভাৰতত বৈদ্যুতিন আহিলা পাতিৰ নিৰ্মাণ ২০১৩-১৪ বৰ্ষৰ ২ হাজাৰ ৯০০ কোটি ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ১০ হাজাৰ ৫০০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে। চৰকাৰে তৃতীয় কাৰ্যকালত ৰে'ল, পথ, বিমান বন্দৰ আৰু বন্দৰৰ সৈতে জড়িত ২ লাখ কোটি ডলাৰ প্ৰকল্পত অনুমোদন জনাইছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয় যে, চৰকাৰে তথ্য প্ৰযুক্তিৰ সৈতে জড়িত বৃহৎ কোম্পানীসমূহে যাতে প্ৰযুক্তি ক্ষেত্ৰত একাধিপত্য বিস্তাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰিব বিচাৰে।

০০০০০০

খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তি লক্ষ্যৰ অংশ হিচাপে এই নিযুক্তি সমাৰোহে বিশেষ তাৎপৰ্য বহন কৰিছে। কিয়নো যোৱা ২৬ আগষ্ট পৰ্যন্ত ৰাজ্য চৰকাৰে এক লাখ ৩৮৯ গৰাকী লোকক বিভিন্ন ক্ষেত্ৰত নিযুক্তি দিছে। কাইলৈ ২৩ হাজাৰ ৯৫৬ গৰাকী শিক্ষকক স্থায়ী নিযুক্তি পত্ৰ প্ৰদান কৰাৰ লগে লগে সৰ্বমুঠ নিযুক্তিৰ সংখ্যা হ'ব এক লাখ ২৪ হাজাৰ ৩৪৫ গৰাকী। যোৱা ৫ আগষ্টত সমগ্ৰ শিক্ষা বিভাগে ৰাজ্যৰ ৩৫ হাজাৰ ঠিকাভিত্তিক শিক্ষকৰ নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই ৩৫ হাজাৰ শিক্ষকৰ ভিতৰত ২৩ হাজাৰ ৯৫৬ গৰাকীয়ে নিয়মীয়া নিযুক্তিৰ বাবে আবেদন দাখিল কৰে। বাকী থকা প্ৰায় ১০ হাজাৰ শিক্ষকে বেতন সুৰক্ষাসহ চাকৰি নিয়মীয়াকৰণৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। গোচৰটোৰ শুনানী গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে আদালতৰ দ্বাৰস্থ হোৱা শিক্ষকসকলৰ পৰিৱৰ্তে নিয়মীয়া নিযুক্তিৰ বাবে আবেদন কৰা শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে তাৎক্ষণিকভাৱে ৰাজ্য চৰকাৰে ২৩ হাজাৰ ৯৫৬ গৰাকী শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰে।

০০০০০০

পুৱাৰে পৰা হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাই জলমগ্ন হৈ পৰিছে। চানমাৰি, জু-ৰোড, হাতীগাঁও, ৰুক্মিণীগাঁও আদি এলেকা কৃত্ৰিম বানত বুৰ যোৱাৰ লগতে জনসাধাৰণৰ জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ কেইবাখনো ৰাজ্যৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত অহা বুধবাৰলৈ প্ৰবল বৰষুণ হোৱাৰ আগজাননী দিছে। কেন্দ্ৰীয় চৰকাৰৰ ভূ-বিজ্ঞান মন্ত্ৰালয়, ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই যৌথভাৱে জাৰি কৰা জাননী যোগে ধাৰাষাৰ বৃষ্টিপাতৰ ফলত স্পৰ্শকাতৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি হোৱাৰ লগতে যাতায়াত ব্যাহত হোৱাৰ আশংকা উল্লেখ কৰিছে। পানী আৱদ্ধ হ'ব পৰা স্থানলৈ নাযাবলৈও ৰাইজক আহ্বান জনোৱা হৈছে। ভূমিস্খলনৰ সম্ভাৱনা থকা এলেকা ত্যাগ কৰাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষই আগবঢ়োৱা সতৰ্কতামূলক পৰামৰ্শ মানি চলিবলৈ বতৰ বিজ্ঞান

বিভাগে উল্লেখ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে কামৰূপ মহানগৰ, মৰিগাঁও আৰু পশ্চিম কাৰ্বি আংলং জিলাত অহা ৩ ঘণ্টাৰ ভিতৰত বিজুলী, ঢেৰেকনীৰ সৈতে বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

০০০০০০

বৃহত্তৰ গুৱাহাটী দুগ্ধ ব্যৱসায়ী সংস্থাৰ সিদ্ধান্ত অনুসৰি আজিৰে পৰা গুৱাহাটীত গাখীৰৰ দাম ৩ টকাকৈ বৃদ্ধি পাব। সংগঠনটোৱে প্ৰকাশ কৰা অনুসৰি আজিৰে পৰা প্ৰতি লিটাৰ গাখীৰৰ পাইকাৰী দাম ৬৪ টকা ৪০ পইচা আৰু খুচুৰা ৬৭ টকা হ'ব। উল্লেখযোগ্য যে, বৃহত্তৰ গুৱাহাটী গোপালক সন্থাই খুঁটিত গাখীৰৰ দাম প্ৰতি লিটাৰত ২ টকা ৬০ পইচাকৈ বৃদ্ধি কৰিছে। যাৰ ফলত গাখীৰৰ পাইকাৰী আৰু খুচুৰা দাম বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি সংগঠনটোৱে জানিবলৈ দিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই দেশৰ স্বাধীনতা সংগ্ৰামৰ ঐতিহ্য সুঁৱৰি আয়োজন কৰা স্বাধীনতা সংগীত সন্মিলন শীৰ্ষক শাস্ত্ৰীয় আৰু লোকসংগীতৰ অনুষ্ঠান নলবাৰী জিলা পুথিভৰালত কালি অনুষ্ঠিত হৈ যায়। আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশিষ কুমাৰ ভাটনাগৰে বন্তি প্ৰজ্বলেনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে, আকাশবাণী গুৱাহাটী কেন্দ্ৰই সদায় সামাজিক দায়বদ্ধতা বৰ্তাই ৰাখি কাম কৰি আহিছে। অনুষ্ঠানত উপস্থিত থাকি নলবাৰী জিলাৰ আয়ুক্ত বৰ্ণালী ডেকাই কয় যে, আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিভিন্ন অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলক তথ্যৰ যোগান ধৰি আহিছে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান কাৰ্যবাহী অসীম কুমাৰ কাজিয়েও ভাষণ প্ৰদান কৰে।

০০০০০০

শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গুৰু প্ৰণাম অভিযান কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই দলৰ সকলো সাংসদ, বিধায়ক, বিষয়ববীয়া তথা বিভাগসমূহক অন্ততঃ এগৰাকী প্ৰাক্তন শিক্ষাগুৰুক সাক্ষাৎ কৰি প্ৰণাম জনাবলৈ আহ্বান জনাইছে। আজি সভাপতিগৰাকীয়ে সামাজিক মাধ্যম যোগে এই আহ্বান জনাইছে।

০০০০০০

নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত গুৱাহাটীৰ দলটোৱে বিগত বৰ্ষৰ ছেম্পিয়ন তথা আই এছ এলৰ লীগৰ খিতাপ বিজয়ী মোহন বাগান দলক টাইব্ৰেকাৰত ৪-৩ গলৰ ব্যৱধানত পৰাজিত কৰে। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেডে প্ৰতিখন খেলতে জয়লাভ কৰিছে।

০০০০০০

ভাৰতে পেৰিছ পেৰালিম্পিকৰ আজি চতুৰ্থ দিনা কেইটামান শিতানত পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। ৰবি ৰংগোলীয়ে পুৰুষৰ শ্বটপুটৰ এফ ফৰ্টি শিতানৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে পুৰুষৰ হাই জাম্পত টি-ফৰ্টি চেভেন শিতানত নিশাদ কুমাৰে পদকৰ দৌৰত অৱতীৰ্ণ হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ এছ এইছ ৱান শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে ৰুবিনা ফ্ৰান্সিছক অভিনন্দন জ্ঞাপন কৰিছে।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, এয়া দেশৰ বাবে সঁচাকৈয়ে গৌৰৱৰ ক্ষণ। ৰুবিনাৰ অসাধাৰণ একাগ্ৰতা, নিষ্ঠা আৰু কঠোৰ  পৰিশ্ৰমে উল্লেখনীয় সফলতা কঢ়িয়াই অনা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াও ৰুবিনাক অভিনন্দন জনাইছে।

০০০০০০

গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাৰিষা ৰাজ্যত হোৱা বানৰ পৰা ৰাজ্যবাসীক ৰক্ষা কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যুটীয়াভাৱে অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই অনুসৰি বাৰিষাকালত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বাঢ়নি পানী, জলাশয়, হ্ৰদ আদিলৈ বোৱাই নিয়া হ'ব। বাতৰিটো দৈনিক জনমভূমি কাকতে **জল স্থানান্তৰেৰে বানমুক্ত হ'ব অসম** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ে ২৩ হাজাৰ ৯৫৬ গৰাকী টেট শিক্ষকৰ চাকৰি নিয়মীয়া কৰিবৰ বাবে কালি নিৰ্দেশ প্ৰদান কৰাৰ পাছতেই ৰাজ্য চৰকাৰে বিশেষ নিযুক্তিৰ জৰিয়তে কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰিব। বাতৰিটো নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতৰ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম **বিধানসভাত নামাজৰ বিৰতি প্ৰত্যাহাৰক বিতৰ্ক কৰা বিৰোধী নেতাক প্ৰত্যুত্তৰ মুখ্যমন্ত্ৰীৰ আৰু দৰঙত একেদিনাই চাৰিটা দুৰ্ঘটনাঃ নিহত দুই, আহত ৭ জন**। কাকতখনে কাছাৰ কাগজকলৰ মাটিৰ ২ হাজাৰ ৪০০ কোটিৰো অধিক ধনৰ বিনিয়োগেৰে কেইবাটাও উদ্যোগ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ লাভ কৰা বাতৰিটোও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে ৰাজ্যৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰ্দেশনা জাৰি কৰা বাতৰিটো গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম লোকসেৱা আয়োগৰ নিযুক্তি সম্পৰ্কীয় দুৰ্নীতিৰ গোচৰত ২৬ জন অভিযুক্তই জামিন লাভ কৰা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে পৰহিলৈ বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি কেইবাখনো ৰাজ্যত য়েল্ল' এলাৰ্ট জাৰি কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতখনে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষক চমুকৈ কেগে বহনক্ষম সামৰ্থতকৈ অসমতে অধিক ধাৰ লৈছে বুলি সকীয়নি দিয়া বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – তিনিচুকীয়া, ধেমাজিত বৃহৎ পৰিমাণৰ বন্দুক, গুলী-বাৰুদ উদ্ধাৰ, বিদ্যুৎ সংযোগ হ'লেই বিপদত পৰিব গিবনৰ বিখ্যাত হলৌ বান্দৰ, ৰাজ্যৰ চাহ শ্ৰমিক বসতিপ্ৰধান ৪০ সমষ্টিতকৈ কংগ্ৰেছ-বিজেপিৰ টনাটনি, স্মাৰ্ট মিটাৰ বাতিলৰ দাবীত বিভিন্ন ঠাইত বিক্ষোভ, ভূমিৰ সুৰক্ষাক লৈ উত্তাল মাজুলী, চাহ দোকানৰ ভিতৰতে জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু দম্পতীৰ কৰুণ মৃত্যু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত